# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশত ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হাৰিনী অমৰাছুৰিয়া আজি দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

৩। দেশত নক্সাল অধ্যুষিত জিলাৰ সংখ্যা ৬ৰ পৰা ৩লৈ হ্ৰাস পাইছে বুলি গৃহ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে।

৪। ভাৰতীয় জনতা পাৰ্টিয়ে বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ১৮ গৰাকী প্ৰাৰ্থীৰ তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। *আৰু*

৫। গুজৰাটৰ আহমেদাবাদক ২০৩০ বৰ্ষৰ কমনৱেল্থ গেমছ্ ক্ৰীড়া সমাৰোহৰ আয়োজক চহৰৰূপে প্ৰক্ষেপ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অন্ধ্ৰপ্ৰদেশলৈ যাব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ নন্দিয়াল জিলাৰ শ্ৰীছাইলেমত থকা শ্ৰীভ্ৰমৰম্ব মল্লিকাৰ্জুনা স্বামী ৱৰ্লা দেৱস্থানম দৰ্শন কৰাৰ লগতে মন্দিৰটোত পূজা-অৰ্চনা কৰিব। তেওঁ জিলাখনৰ শ্ৰীশিৱাজী স্পুৰ্থি কেন্দ্ৰও পৰিদৰ্শন কৰিব। শ্ৰীমোদীয়ে আজি বিয়লি কুৰ্নুলনত ১৩ হাজাৰ ৪৩০ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ভালেমান উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰাৰ লগতে আন ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত উদ্যোগ, শক্তি, পথ, ৰে'লৱে, প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ আদি খণ্ডৰ বিভিন্ন প্ৰকল্প আছে। এই প্ৰকল্পসমূহে ঔদ্যোগিকীকৰণক ত্বৰান্বিত কৰি সৰ্বাত্মক আৰ্থ-সামাজিক বিকাশৰ জৰিয়তে ৰাজ্যখনৰ আঞ্চলিক আন্তঃগাঁথনি উন্নত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতীয়মান কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে সমবেত জনসাধাৰণকো সম্বোধন কৰিব।

০০০০০

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হাৰিনী অমৰাছুৰিয়া আজি দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিভিন্ন খণ্ডত দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাৰ লগতে দ্বিপাক্ষিক স্বাৰ্থজড়িত ভালেমান বিষয়ে আলোচনা কৰিবলৈ ভাৰতৰ জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলৰ সৈতে আলোচনাত মিলিত হ'ব। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ব্যক্তিগত খণ্ডৰ এটা টেলিভিছন চেনেলে আয়োজন কৰা এখন সন্মিলনতো ভাষণ দিব। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীৰ লগতে শিক্ষা মন্ত্ৰালয়ৰো দায়িত্বত থকা শ্ৰীঅমৰাছুৰিয়াই শিক্ষা, উদ্ভাৱন আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত উভয় দেশৰ সহযোগিতাৰ বিভিন্ন দিশ অন্বেষণ কৰিবলৈ দিল্লীত থকা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু নীটি আয়োগো ভ্ৰমণ কৰিব। দিল্লী বিশ্ববিদ্যালয়ৰ অধীনস্থ হিন্দু কলেজৰ

প্ৰাক্তন ছাত্ৰী হিচাপে প্ৰধানমন্ত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠানখনো পৰিদৰ্শন কৰাৰ কথা আছে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে উভয় দেশৰ ব্যৱসায়িক আৰু বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যৱসায় সম্বন্ধীয় এটা অনুষ্ঠানতো উপস্থিত থাকিব।

০০০০০

আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুট্টাকীয়ে চৰকাৰী ভাৰত ভ্ৰমণৰ অন্তত কালি কাবুললৈ উভতি যায়। ছদিনীয়া ভ্ৰমণকালত অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰক দিল্লীত সাক্ষাৎ কৰাৰ লগতে এলানি কূটনৈতিক আলোচনাতো অংশ লয়।

০০০০০

দেশত নক্সাল অধ্যুষিত জিলাৰ সংখ্যা ৬ৰ পৰা ৩লৈ হ্ৰাস পাইছে। সম্প্ৰতি চত্তিশগড়ৰ বিজাপুৰ, ছুকমা আৰু নাৰায়ণপুৰ জিলাহে বাওঁপন্থী উগ্ৰবাদৰ পৰা সৰ্বাধিক প্ৰভাৱিত বুলি গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে বিবৃতিযোগে কৈছে, যে নক্সাল অধ্যুষিত জিলাৰ সংখ্যা হ্ৰাস পোৱাটোৱে এখন নক্সালমুক্ত ভাৰত গঢ়িবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা লক্ষ্যক প্ৰতীয়মান কৰে। দেশত ২০২৬ চনৰ ৩১ মাৰ্চৰ পূৰ্বে নক্সালক পুলিয়ে পোখাই উৎখাত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ১৮ গৰাকী প্ৰাৰ্থীৰ নাম সন্নিবিষ্ট থকা তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। তালিকা অনুসৰি সঞ্জয় পাণ্ডেই নাৰ্কটীয়াগঞ্জ, উমাকান্ত্ সিঙে চানপাটিয়া, লালবাবু প্ৰসাদ গুপ্তাই ছিৰায়া, বীনা দেৱী ক'ছাধমন, সতীশ কুমাৰ যাদৱে ৰাঘ'পুৰ আৰু মুৰাৰী পাছোৱানে পীৰপইণ্টি আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত বিজেপিয়ে ৰাজ্যখনৰ ১০১ খন বিধানসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০

দীপাৱলী আৰু ষট পূজাৰ সময়ত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণৰ সুবিধাৰ্থে উত্তৰ ৰে'লৱেই এহেজাৰখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত উত্তৰ ৰে'লৱেৰ মহা প্ৰৱন্ধক অশোক কুমাৰ বাৰ্মাই এইকথা সদৰি কৰে। তেওঁ কয়, যে বিশেষ ৰে'লগাড়ীসমূহৰ যাত্ৰাৰ তদাৰক কৰিবলৈ এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালা, মাহে, তামিলনাড়ু, পুডুচেৰী আৰু কড়াইকালত আজি ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সতৰ্কবাণী জাৰি কৰিছে। বিভাগে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক আৰু লক্ষদ্বীপতো একে পৰিৱেশে বিৰাজ কৰিব বুলি জানিবলৈ দিছে। বিভাগে পৰৱৰ্তী দুটা দিনত ওড়িশা, তেলেংগানা, গোৱা, মধ্যপ্ৰদেশ, মাৰাঠৱাৰা আদি অঞ্চলত বজ্ৰপাতৰ লগতে ধুমুহাৰ আগলি বতৰা দিছে।

০০০০০

নীটি আয়োগৰ এটা দলে প্ৰধানমন্ত্ৰী কৌশল কেন্দ্ৰৰ অধীনত নাগালেণ্ডত কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষতা কেন্দ্ৰ স্থাপনৰ বিভিন্ন দিশ অন্বেষণৰ উদ্দেশ্যে কালি ডিমাপুৰ ভ্ৰমণ কৰে। জল আৰু ভূমিসম্পদ, তথ্য প্ৰযুক্তি, দূৰসংযোগ তথা পৰ্যটন আৰু সংস্কৃতি বিভাগৰ প্ৰকল্প সঞ্চালক যুগল যোশীৰ নেতৃত্বত গঠিত দলটোৱে NIELIT আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে জড়িত সৰঞ্জাম কক্ষ আৰু প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন

কৰি সংশ্লিষ্ট জিলা বিষয়াসকলৰ সৈতে বৈঠকতো মিলিত হয়। বৈঠকত শ্ৰীযোশীয়ে কয়, যে নিয়োগৰ সুবিধা বৃদ্ধি কৰা, ৺ কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত প্ৰশিক্ষণ আৰু প্ৰযুক্তিগত দক্ষতা প্ৰশিক্ষণৰ জৰিয়তে নাগালেণ্ডৰ যুৱক-যুৱতীসকলৰ মাজত উদ্যমিতা বিকাশেই হৈছে এই উদ্যমৰ মূল উদ্দেশ্য। ত্ৰিপুৰাৰ উপায়ুক্ত ডঃ তিনোজংছে চেঙে ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত নীতি আয়োগৰ এই সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

00000

গুজৰাটৰ আহমেদাবাদক ২০৩০ বৰ্ষৰ কমনৱেল্থ গেমছ ক্ৰীড়া সমাৰোহৰ আয়োজক চহৰৰূপে প্ৰক্ষেপ কৰা হৈছে। কমনৱেল্থ ক্ৰীড়াৰ কাৰ্যবাহী পৰিষদৰ এখন বৈঠকৰ অন্তত এই ঘোষণা কৰা হয়। কমনৱেল্থ ক্ৰীড়া আন্দোলনে শতবৰ্ষত ভৰি দিয়াৰ সময়ত ভাৰতত এই সংস্কৰণৰ আয়োজনৰ পদক্ষেপ ঐতিহাসিকৰূপে বিবেচিত হৈছে। অহা মাহত কমনৱেল্থ ক্ৰীড়াৰ সাধাৰণ সভাত এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰ, গুজৰাট চৰকাৰ আৰু ভাৰতীয় কমনৱেল্থ গেমছ এছ'চিয়চনে সন্মিলিত ৰূপত আহমেদাবাদত ২০৩০ চনত এই ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ প্ৰস্তাৱ দাখিল কৰিছিল। খেলো ইণ্ডিয়াৰ লেখিয়া উদ্যমৰ জৰিয়তে দেশত ক্ৰীড়া সংস্কৃতিৰ বিকাশৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰি অহা নিৰলস প্ৰচেষ্টাৰ বাবে এয়া সম্ভৱ হৈছে বুলি গৃহমন্ত্ৰী অমিত শ্বাহে উল্লেখ কৰে। দেশক অভিনন্দন জ্ঞাপন কৰি শ্ৰীশ্বাহে কয়, যে দেশত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনিৰ বিকাশ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ খেলুৱৈসকলক দিয়া প্ৰশিক্ষণৰ জৰিয়তে ভাৰতে এই সন্মান অৰ্জন কৰিছে।

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আহমেদাবাদত হ'বলগীয়া এই আগশাৰীৰ ক্ৰীড়া প্ৰতিযোগিতাখন প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ ক্ষণ হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে ই ক্ৰীড়াৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান নেতৃত্বক প্ৰতিফলিত কৰে। ক্ৰীড়াই জনসাধাৰণক এক কৰাৰ লগতে প্ৰজন্মক অনুপ্ৰাণিত কৰে বুলি তেওঁ উল্লেখ কৰে।

00000

মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠানত পাকিস্তান আৰু ইংলেণ্ডৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে। খেলখনৰ প্ৰথম ইনিংছত বৰষুণে বিঘিনি ঘটোৱাৰ বাবে দুয়োটা দলকেই ৩১ অভাৰকৈ খেলাৰ সুযোগ দিয়া হৈছিল। প্ৰথমে বেট ধৰি ইংলেণ্ডে ৯ উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰা খেলখনত ডি এল এছ পদ্ধতিৰ সহায়ত পাকিস্তানক ১১৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হৈছিল। অৱশ্যে পাকিস্তানে ৭ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৩৪ ৰান সংগ্ৰহ কৰাৰ সময়তে বৰষুণৰ বাবে খেলখন পৰিত্যক্ত ঘোষণা কৰিবলগীয়া হয়।

প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়া বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

00000

নেপাল আৰু ওমান এছিয়া তথা পূব এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ৰ পৰা অহা বছৰ হ'বলগীয়া পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ প্ৰতিযোগিতাত স্থান নিশ্চিত কৰা প্ৰথম দুটা দলৰূপে পৰিগণিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ছামোৱাক পৰাস্ত কৰাৰ লগে লগে মূল প্ৰতিযোগিতাত

নেপাল আৰু ওমানে স্থান নিশ্চিত কৰে। গ্ৰুপ পৰ্যায়ত অপৰাজিত হৈ থকা নেপালে ছুপাৰ ছিক্স পৰ্যায়ত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কাটাৰক পৰাস্ত কৰে। ইপিনে যোগ্যতা অৰ্জনকাৰী তৃতীয়খন দেশৰূপে পৰিগণিত হোৱাৰ বাটত আমেৰিকা যুক্তৰাষ্ট্ৰই আজি এখন গুৰুত্বপূৰ্ণ খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ আৰু স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টিৰ যুটীটোৱে পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অ'ডেনছত কালি অনুষ্ঠিত এখন খেলত বিশ্বক্ৰমৰ ২১ সংখ্যক স্থানৰ লক্ষ্য সেনে আয়াৰলেণ্ডৰ নাহট গুয়েনক ১০-২১, ২১-৮, ২১-১৮ গেমত পৰাস্ত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকীয়ে আজি ডেনমাৰ্কৰ এণ্ডাৰ্ছ এণ্টনছেনৰ মুখামুখি হ'ব।

ইপিনে পুৰুষৰ ডাবলছৰ ষষ্ঠ বাছনিপ্ৰাপ্ত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টিৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰাৰ বাটত স্কটলেণ্ডৰ ক্ৰিষ্ট'ফাৰ গ্ৰিমলি আৰু মেথিউ গ্ৰিমলিৰ যুটীটোক পৰাস্ত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতীয় যুটীটো চীনা টাইপেইৰ য়াং প' হান আৰু লিউ কুৱাং হেঙৰ যুটীটোৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত